3. **ঘৰুৱা উৎপাদন বৃদ্ধি** (Increase Domestic Income) ঃ এই প্ৰকাৰ বাণিজ্য নীতিৰ ঘৰুৱা উৎপাদন খণ্ডই চৰকাৰীভাৱে সংৰক্ষণ আৰু প্ৰয়োজনত ৰাজসাহাৰ্য্য লাভ কৰে বাবে দেশত ঘৰুৱা উৎপাদনীয় প্ৰতিষ্ঠান বা উদ্যোগৰ সম্প্ৰসাৰণ ঘটে। বিনিয়োগ সম্প্ৰসাৰণে নিয়োগ, উপাৰ্জন চাহিদা যোগান সকলো দিশতে সম্প্ৰসাৰণ ঘটায়।

4. **দেশৰ পৰম্পৰাগত জীৱন ধাৰণ পদ্ধতি** (Preserving Traditional Ways of Life) ঃ যিহেতু দেশৰ জনসাধাৰণে সকলোবিলাক সেৱা সামগ্ৰী ঘৰুৱা উৎপাদনীয় খণ্ডৰ পৰাই লাভ কৰে গতিকে নিজা পৰম্পৰাগত জীৱন ধাৰণ পদ্ধতিৰো পৰিৱৰ্তন নহয়। অৰ্থাৎ দেশৰ সাংস্কৃতিক দিশসমূহ অক্ষুন্ন থাকে।

5. **বিশ্বায়নক প্ৰত্যাহ্বান** (Challeges of Globalization) ঃ আভ্যান্তৰীণ দিশলৈ চোৱা বাণিজ্য নীতিয়ে যিহেতু ঘৰুৱা উদ্যোগসমূহৰ সংৰক্ষণৰ যোগেদি উন্নয়ন আৰু দক্ষতা বৃদ্ধিৰ প্ৰচেষ্টা হাতত লয়। গতিকে অবাধ বাণিজ্য নীতিৰ আধাৰত গঢ়ি উঠা বিশ্বায়নক প্ৰত্যাহ্বান জনায় আৰু আন্তৰ্জাতিক মানদণ্ড বিশিষ্ট ক্ষমতাশালী বহুজাতিক কোম্পানীৰ হাতোৰাৰ পৰা দেশখনক ৰক্ষা কৰি থলুৱা প্ৰতিভাৰ বিকাশ ঘটায়।

**বহিঃ দিশলৈ চোৱা বাণিজ্যক নীতি** (Outward Looking Trade Policy) ঃ অৰ্থনীতিবিদসকলৰ মতে বহিঃ দিশলৈ চোৱা বাণিজ্য নীতি মানে মুক্ত বা অবাধ বাণিজ্য নীতিক মানি চলাকে বুজায়। এই প্ৰকাৰ বাণিজ্য নীতিয়ে ৰপ্তানি বাণিজ্যকো উৎসাহিত নকৰে নাইবা আমদানি বাণিজ্যকো হেয়জ্ঞান নকৰে। এই প্ৰকাৰ বাণিজ্য নীতি মতে যিখন দেশে যিবিধ সামগ্ৰী উৎপাদনত আন্তৰ্জাতিক পৰ্য্যায়ত ব্যয়ৰ তুলনামূলক সুবিধা লাভ কৰে সেইখন দেশে তেনেবিলাক সামগ্ৰী উৎপাদন কৰিব আৰু আন-আন দেশলৈ ৰপ্তানি কৰিব। পুনৰ ব্যয়ৰ তুলনামূলক সুবিধা লাভ নকৰা সামগ্ৰীসমূহ বিদেশৰ পৰা আমদানি কৰিব। অৱশ্যে অন্য এচাম অৰ্থনীতিবিদৰ মতে বহিঃ দিশলৈ চোৱা বাণিজ্য নীতি মানে হ'ল বিদেশী উপভোক্তাৰ বাবে ৰপ্তানি বাণিজ্য সম্প্ৰসাৰিত কৰা। কিন্তু ৰপ্তানি সম্প্ৰসাৰণে আমদানিৰ সংকোচন ঘটোৱাটোক নুবুজায়।

ইউৰোপীয় দেশবিলাকত যেতিয়া সমাজবাদী ধাৰণা অচল হৈ পৰিছিল তেতিয়াই এই দেশসমূহে বাহিৰলৈ চোৱা বাণিজ্য নীতি গ্ৰহণ কৰিছিল। আৰু এই নীতিৰ অধীনত আন্তৰ্জাতিক বাণিজ্য নীতিৰ যোগেদি এনেবিলাক দেশে

সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল। আমাৰ ভাৰতবৰ্ষ আৰু চীনে এই প্ৰকাৰ বাণিজ্য নীতি মানি চলি যথেষ্ট লাভৱান হোৱা দেখা যায়। বৰ্হি দিশলৈ চোৱা বাণিজ্য নীতিৰ পৃষ্ঠপোষকসকলৰ মতে এই প্ৰকাৰ বাণিজ্য নীতিৰ কেইটামান উপকাৰ আছে। সেইয়া হ'ল—

(১)এনে বাণিজ্য নীতিৰ অধীনত অবাধ বাণিজ্য নীতি মানি চলিব পৰা যায় ফলত সকলো দেশেই আন্তৰ্জাতিক বাণিজ্যত নিজৰ নিজৰ সুবিধাৰ ভিত্তিত উৎপাদনত বিশেষীকৰণ কৰাৰ সুবিধা লাভ কৰে।

(২)দ্বিতীয়তে, বাণিজ্যিক শুল্ক প্ৰত্যাহাৰৰ, কোটা বা পৰিমাণ নিৰ্ধাৰণ প্ৰত্যাহাৰৰ যোগেদি প্ৰতিখন দেশেই জনকল্যাণ সৰ্বাধিক কৰাৰ লক্ষ্যত উপনীত হ'ব পাৰে।

(৩)তৃতীয়তে মুক্ত বাণিজ্য নীতিৰ অধীনত প্ৰতিযোগিতা বৃদ্ধি পায়। প্ৰতিযোগিতাই উদ্যোগ প্ৰতিষ্ঠানৰ দক্ষতা বৃদ্ধিত সহায় কৰে আৰু প্ৰতিটো প্ৰতিষ্ঠানকে আন্তৰ্জাতিক পৰ্যায়ৰ প্ৰতিযোগি প্ৰতিষ্ঠানৰূপে গঢ় দিয়াত সহায় কৰে।

(৪)চতুৰ্থতে, বিশ্বায়ন পদ্ধতিৰ লগত খাপ খুৱাই বাহ্যিক বিপদ-আপদবিলাকৰ মোকাবিলা কৰিব পৰালৈ প্ৰস্তুত কৰিবলৈ সক্ষম হয় বাবে দেশত উৎপাদনীয় খণ্ডসমূহৰ বিকাশ ঘটে।

(৫)পঞ্চমতে, বিশেষীকৰণ যিমানে বেছি হ'ব, উদ্যোগ সম্প্ৰসাৰণো সিমানে বাঢ়িব। ফলত দেশত নিযুক্তি, বিনিয়োগ আৰু জাতীয় উপাৰ্জন সিমানে বাঢ়িব।

**দুয়ো প্ৰকাৰ বাণিজ্য নীতিৰ মূল্যায়ন** (Evaluation of Inwards and